**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-01-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি  ধেমাজিৰ কাৰেং চাপৰিত অনুষ্ঠিত দশম মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

২। নতুন দিল্লীত হ'বলগীয়া ভাৰত এ আই ইম্পেক্ট সন্মিলন ২০২৬ত ১০০জনতকৈও অধিক মুখ্য কাৰ্যবাহী বিষয়াই অংশগ্ৰহণ কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৩। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ইউৰোপীয় ৰাষ্ট্ৰগোটৰ সৈতে হোৱা মুক্ত বাণিজ্য চুক্তিৰ পাছত ভাৰতে কোনো ধৰণৰ ৰপ্তানি শুল্ক আদায় দিব নালাগে বুলি মন্তব্য কৰিছে।

৪। পশ্চিম বংগত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ সময়ত নিৰ্বাচন আয়োগে নিৰ্ধাৰিত কৰি দিয়া তথ্যৰ বাহিৰে আন তথ্য দাখিল কৰা ভোটদাতাৰ নাম চূড়ান্ত তালিকাৰ পৰা কৰ্তন কৰা হ'ব। ***আৰু***

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি  ধেমাজিৰ কাৰেং চাপৰিত অনুষ্ঠিত দশম টাকাম মিচিং পৰিন কেবাং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীশ্বাহে মিচিং সমাজক প্ৰণাম জনাই, মহোৎসৱত উপস্থিত থাকি অভিভূত হোৱা বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে মিচিং সমাজৰ সংস্কৃতি আৰু প্ৰকৃতি সংৰক্ষণৰ বাবে তেওঁলোকে কৰি অহা কাম-কাজৰ প্ৰশংসা কৰে। মিচিং সমাজৰ সকলো অভাৱ-অভিযোগ পূৰণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ উল্লেখ কৰে। শীঘ্ৰেই মিচিং যুৱক-যুৱতীসকলৰ নিযুক্তিৰ বাবে বিশেষ নিযুক্তি সমাবেশৰ আয়োজন কৰা হ'ব বুলিও গৃহমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰীশ্বাহে আজি ডিব্ৰুগড়ত গৰাখহনীয়া আৰু বান নিয়ন্ত্ৰণৰ বাবে বিশেষ ব্যৱস্থা মুকলি কৰা বুলিও এই অনুষ্ঠানত প্ৰকাশ কৰে। অসম চৰকাৰে ২০০খন প্ৰাথমিক বিদ্যালয়ত মিচিং ভাষাত পাঠ্যক্ৰম আৰম্ভ কৰা বুলিও তেওঁ জনায়। মহোৎসৱত অংশগ্ৰহণ কৰাৰ পাছত মন্ত্ৰীগৰাকীয়ে বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতেও মত বিনিময় কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকে।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাত এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। জিলাখনৰ খনিকৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে আন কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে শ্ৰীশ্বাহে ২৮৪ কোটি টকা ব্যয়সাপেক্ষে অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ

আৰু বিধায়কৰ আৱাসগৃহৰ আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে। তেওঁ লগতে ২০৯ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ক্ৰীড়া প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰে।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰে। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্পও মুকলি কৰে। ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ ৯খন জিলাত বিজ্ঞানসন্মতভাৱে বাছনি কৰা ১৫টা জলাশয়ৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰাৰ উপৰি নগৰাঞ্চলত বানৰ সমস্যা ৰোধ, জলাশয়সমূহৰ জলধাৰণ ক্ষমতা বৃদ্ধি কৰা হ'ব।

০০০০০

নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ভাৰত এ আই ইম্পেক্ট সন্মিলন ২০২৬ সমগ্ৰ বিশ্বতে এতিয়ালৈকে অনুষ্ঠিত সৰ্ববৃহৎ এ আই সন্মিলন হিচাপে পৰিগণিত হ'ব বুলি বৈদ্যুতিন আৰু তথ্যপ্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। অহা ১৬ৰ পৰা ২০ ফেব্ৰুৱাৰীলৈ এই সন্মিলন অনুষ্ঠিত হ'ব। আজি দুপৰীয়া নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি শ্ৰীবৈষ্ণৱে কয় যে এ আই ইম্পেক্ট সন্মিলনত ১০০জনতকৈও অধিক মুখ্য কাৰ্যবাহী বিষয়াই অংশগ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে দেশৰ এ আই পৰিৱেশতন্ত্ৰ বিকাশৰ ধৰণক প্ৰশংসা কৰাৰ লগতে এয়া অতি উৎসাহজনক বুলি মন্তব্য কৰে। গোলকীয় দক্ষিণৰ কোনো এখন ৰাষ্ট্ৰত অনুষ্ঠিত হোৱা এয়া প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় এ আই সন্মিলন বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে কৈছে যে ইউৰোপীয় ৰাষ্ট্ৰগোটৰ সৈতে হোৱা মুক্ত বাণিজ্য চুক্তিৰ পাছত ভাৰতে কোনোধৰনৰ ৰপ্তানি শুল্ক আদায় কৰিব নালাগিব। মন্ত্ৰীগৰাকীয়ে এটা সাক্ষাৎকাৰত প্ৰকাশ কৰা অনুসৰি বস্ত্ৰশিল্পৰ খণ্ডত ভাৰতে এতিয়া ৫০ বিলিয়ন আমেৰিকান ডলাৰৰ ৰপ্তানি কৰাৰ লক্ষ্য ল'ব পাৰিব। যাৰ ফলত নতুন কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব বুলিও তেওঁ উল্লেখ কৰিছে।শ্ৰী গোৱেলে লগতে উল্লেখ কৰিছে যে ভাৰত আৰু ইউৰোপীয় ৰাষ্ট্ৰৰ মাজৰ এই মুক্ত বাণিজ্যিক চুক্তিয়ে আন্তঃৰাষ্ট্ৰীয় ভু-ৰাজনীতিত ভাৰতৰ গুৰুত্ব আৰু বৃদ্ধি কৰিছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে জাতিৰ পিতা মহাত্মা গান্ধীৰ মৃত্যুবাৰ্ষিকী উপলক্ষে নতুন দিল্লীত থকা তেওঁৰ বাসভৱনৰ চৌহদত আজি পুষ্পাৰ্ঘ্য নিবেদন কৰে। এই উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয় যে ন্যায়, সমন্বয় আৰু এখন একত্ৰিত সমাজৰ বাবে গান্ধীৰ চিৰস্থায়ী মূল্যবোধ বৰ্তাই

ৰখাৰ বাবে চৰকাৰৰ দায়বদ্ধতাক পুনৰ দৃঢ় কৰে। তেওঁ লগতে বাপুৰে দেখুৱাই যোৱা সত্য, অহিংসা আৰু নিঃস্বাৰ্থ সেৱাৰ জীৱন আৰু আদৰ্শই মানৱতাক অনুপ্ৰাণিত কৰি যাব বুলিও আশা প্ৰকাশ কৰে।

00000

বাংলাদেশত অহা ১২ ফেব্ৰুৱাৰীত হ'বলগীয়া সংসদীয় নিৰ্বাচন আৰু ৰাষ্ট্ৰীয় গণ ভোটৰ পৰিপ্ৰেক্ষিতত দেশখনত থকা আমেৰিকান দূতাবাসে নিৰাপত্তাজনিত পৰামৰ্শ জাৰি কৰিছে। আজি জাৰি কৰা এখন বিজ্ঞপ্তিত দূতাবাসে মন্দিৰ, মছজিদ, গীৰ্জাকে ধৰি বিভিন্ন ধৰ্মীয় অনুষ্ঠান, ভোটগ্ৰহণ কেন্দ্ৰ, ৰাজনৈতিক সমাবেশ আদিক লক্ষ্য কৰি উগ্ৰপন্থীৰ আক্ৰমণ নাইবা ৰাজনৈতিক হিংসাৰ সৃষ্টি হ'ব পাৰে বুলি সকিয়াই দিছে। শান্তিৰ উদ্দেশ্যে কৰা প্ৰদৰ্শন আদিও সংঘৰ্ষলৈ পৰিৱৰ্তন হ'ব পাৰে বুলি দূতাবাসে সতৰ্ক কৰি দিছে। দূতাবাসে বাংলাদেশত থকা আমেৰিকান নাগৰিকসকলক যিকোনো ধৰণৰ প্ৰদৰ্শন নাইবা সমাবেশৰ পৰা আঁতৰি থাকিবলৈ পৰামৰ্শ আগবঢ়াইছে।

00000

পশ্চিম বংগ বিজেপিয়ে ৰাজ্যখনৰ চৌবিশ পৰগনা জিলাত সংঘটিত হোৱা নাজিৰাবাদ অগ্নিকাণ্ডৰ সৈতে জড়িতে থকা লোকসকলৰ গ্ৰেপ্তাৰৰ দাবী কৰিছে। অগ্নিকাণ্ডত এতিয়ালৈকে ২৫ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৭জনৰ সন্ধানহীন হৈ আছে। পশ্চিম বংগৰ বিৰোধী দলপতি সোভেন্দু অধিকাৰীয়ে আজি এটা প্ৰতিবাদী সমদলৰ নেতৃত্ব দিয়ে। তেওঁ অভিযোগ উত্থাপন কৰে যে অগ্নিকাণ্ডৰ সৈতে জড়িত মূল অভিযুক্তজনে পূৰ্বে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ বিদেশ ভ্ৰমণত সংগ দিছিল। নেতাগৰাকীয়ে নিহত লোকসকলৰ বাবে ৫০ লাখকৈ টকাৰ সাহায্যৰ লগতে পৰিয়ালৰ লোকলৈ কৰ্মসংস্থাপনৰো দাবী কৰে।

ইপিনে আজি পশ্চিম বংগৰ ৰাজ্যপাল ড০ চি ভি আনন্দ বোসে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়।

00000

যোৱা কিছুদিন ধৰি চলি থকা প্ৰবল তুষাৰপাতৰ বাবে পাক অধিকৃত জম্মু-কাশ্মীৰৰ স্বাভাৱিক জনজীৱন ব্যাহত হৈ পৰাৰ লগতে অঞ্চলটোৰ আন্তঃগাঠনি আৰু বিদ্যুৎ যোগানৰ ক্ষতি হৈছে। বাসিন্দাসকলৰ অভিযোগ অনুসৰি প্ৰশাসনৰ দীৰ্ঘদিনীয়া অৱহেলা, বৈষম্য আৰু দায়বদ্ধতাৰ অভাৱে সমস্যাটো আৰু অধিক তীব্ৰতৰ কৰি তুলিছে। খবৰ অনুসৰি, বিদ্যুতৰ খুঁটা আৰু তাঁৰসমূহৰ দীৰ্ঘদিন ধৰি মেৰামতি নোহোৱাকৈ ৰখাৰ ফলত একাধিক অঞ্চলত বিদ্যুৎ যোগান বন্ধ হৈ পৰিছে।

00000

পশ্চিম বংগত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ সময়ত নিৰ্বাচন আয়োগে নিৰ্ধাৰিত কৰি দিয়া তথ্যৰ বাহিৰে আন তথ্য দাখিল কৰা ভোটদাতাৰ নাম চূড়ান্ত তালিকাৰ পৰা কৰ্তন কৰা

হ'ব। আয়োগে লগতে এনে ধৰণৰ তথ্য গ্ৰহণ কৰা আৰু অনলাইন আপলোড কৰা নিৰ্বাচনী বিষয়াসকলৰো এখন পৃথক তালিকা প্ৰস্তুত কৰি উলিয়াইছে। আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে এই বিষয়াসকলৰ বিৰুদ্ধে কৰ্তব্যত গাফিলতি কৰাৰ প্ৰমাণ পোৱা গ'লে তেওঁলোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তালিকাত ভালেসংখ্যক ভোটদাতাই প্ৰয়োজনীয় তথ্যৰ পৰিৱৰ্তে পৃথক তথ্য দাখিল কৰাৰ বাবে তেওঁলোকক শুনানিৰ বাবে তলব কৰা হৈছে। ইতিমধ্যে এনে ভোটদাতাৰ সংখ্যা কেইবালাখো অতিক্ৰম কৰিছে।

ooooo

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। গুজৰাটৰ কোটাম্বিৰ বডোডৰা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। কোটাম্বিত কালি নিশা অনুষ্ঠিত খেলখনত তালিকাৰ শীৰ্ষস্থানত থকা ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ইউ পি ৱাৰিয়ৰ্ছক ৮ উইকেটত পৰাস্ত কৰে।

ooooo

টেনিছত বিশ্বৰ শীৰ্ষস্থানৰ খেলুৱৈ কাৰ্লোছ আলকাৰাজে আলেকজেণ্ডাৰ জেভেৰেভক পাঁচটা ছেটত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে অষ্ট্ৰেলিয়ান অ 'পেনৰ ফাইনেলত প্ৰৱেশ কৰে। পুৰুষৰ ছিংগলছৰ প্ৰথমখন ছেমি ফাইনেলত স্পেইনৰ আলকাৰাজে জাৰ্মানীৰ জেভেৰেভক ৬-৪,৭-৬,৬-৭,৬-৭,৭-৫ চেটত পৰাস্ত কৰে। ইফালে, প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেল নোভাক জকোভিচ আৰু জেনিক চিনাৰৰ মাজত চলি আছে।

ooooo

সমাপ্ত